**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 30-03-2026
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN

**HEADLINES**

**::::::::::::::::::::**

১। বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি **মেৰা বুথ সবচে মজবুত** কাৰ্যসূচীৰ অধীনত নমো এপ'ৰ মাধ্যমেৰে অসম আৰু পুডুচেৰীৰ দলীয় কৰ্মীসকলৰ সৈতে মত বিনিময় কৰিব।

২। সাম্প্ৰতিক ভূ-ৰাজনৈতিক পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত চৰকাৰে ২১ খন ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলক ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ অধীনত উৎকৃষ্টমানৰ কেৰাচিন বিতৰণৰ অনুমতি দিছে।

৩। লোকসভাত আজি দেওলীয়া আৰু ঋণ পৰিশোধ অক্ষমতা সংহিতা সংশোধনী বিধেয়ক ২০২৫ সন্দৰ্ভত আলোচনা অনুষ্ঠিত হ'ব।

৪। দেশৰ খাদ্য সুৰক্ষা আৰু জীৱন ধাৰণ সুনিশ্চিত কৰাৰ ক্ষেত্ৰত মৎস্য পালন খণ্ডই গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে বুলি কেন্দ্ৰীয় মন্ত্ৰী পীয়ূষ গোৱেলে প্ৰকাশ কৰিছে।

***আৰু***

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ যোৰা নিশা অনুষ্ঠিত এখন খেলত মুম্বাই ইণ্ডিয়ানছে কলকাতা নাইট ৰাইডাৰ্ছক ৬ উইকেটত পৰাস্ত কৰে।

ooooo

**মেৰা বুথ সবচে মজবুত** কাৰ্যসূচীৰ অধীনত নমো এপ'ৰ মাধ্যমেৰে বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি অসম আৰু পুডুচেৰীৰ দলীয় কৰ্মীসকলৰ সৈতে মত বিনিময় কৰিব। সামাজিক মাধ্যম যোগে প্ৰধানমন্ত্ৰীয়ে কয়, যে বিগত দশকত অসমৰ প্ৰগতিয়ে সকলোৰে দৃষ্টি আকৰ্ষণ কৰিছে আৰু ৰাজ্যখন সকলো ক্ষেত্ৰৰ উন্নয়নমুখী যাত্ৰাৰ বাবে জনাজাত হৈ পৰিছে। এনে উন্নয়নমূলক কাম-কাজৰ বাবেই ৰাজ্যখনৰ জনসাধাৰণে দ্বৈত ইঞ্জিনৰ এন ডি এ-ক পৰৱৰ্তী ৫ বছৰৰ বাবে পুনৰ ক্ষমতালৈ অনাৰ সিদ্ধান্ত লৈছে বুলি শ্ৰীমোদীয়ে উল্লেখ কৰে।

ooooo

অসমত বিধানসভা নিৰ্বাচনৰ দিন চমু চাপি অহাৰ লগে লগে ৰাজনৈতিক দলসমূহৰ প্ৰচাৰ অভিযান তীব্ৰ হৈ উঠিছে। শাসক-বিৰোধী উভয়ে তাৰকা প্ৰচাৰকক লৈ ভোটদাতাসকলৰ মন জয় কৰাৰ বাবে উঠি পৰি লাগিছে। বিজেপিৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কালি শোণিতপুৰ জিলাৰ ঢেকীয়াজুলি আৰু নলবাৰীৰ চামতাত অনুষ্ঠিত নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰে। শ্ৰীশ্বাহে সুৰক্ষিত আৰু বিকশিত অসম গঢ়াৰ সংকল্পক অধিক শক্তিশালী কৰিবলৈ জনসাধাৰণৰ প্ৰতি আহ্বান জনায়।

বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি নীতিন নবীনে কালি মাৰ্ঘেৰিটা, জোনাই আৰু গোগামুখত বিজয় সংকল্প সভাত অংশ লয়। বিজেপিৰ জ্যেষ্ঠ নেতা তথা মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই সম্প্ৰতি গৃহ সমষ্টি জালুকবাৰীত ৰোড শ্ব'ত অংশ লৈছে। ইয়াৰ পূৰ্বে তেওঁ কালি কাৰ্বি আংলং জিলাৰ বোকাজানত দলীয় প্ৰাৰ্থী

সূৰ্য ৰংফাৰৰ হৈ প্ৰচাৰ চলায়। তেওঁ লগতে বকলীয়াত ডিফু সমষ্টিৰ প্ৰাৰ্থী নিছ্‌ তেৰাংপী আৰু হাওৰাঘাট সমষ্টিৰ প্ৰাৰ্থী লুনচিং টেৰণৰ হৈ প্ৰচাৰ সভাত অংশ লয়। ড০ শৰ্মাই বৈঠালাংছ’ত আম্ৰি সমষ্টিৰ বিজেপি প্ৰাৰ্থী ড০ হাবে টেৰণৰ হৈও নিৰ্বাচনী প্ৰচাৰ চলায়। তেওঁ এ পি এইছ এল চি দলক কঠোৰ ভাষাৰে সমালোচনা কৰি সমষ্টিটোত এই দলে আন্দোলনৰ বাহিৰে কোনো ধৰণৰ উন্নয়ন সাধিব নোৱাৰে বুলি উল্লেখ কৰে। জ্যেষ্ঠ বিজেপি নেতা তথা কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে ঢকুৱাখনা সমষ্টিৰ মিত্ৰজোঁটৰ প্ৰাৰ্থী নৱ কুমাৰ দলেৰ হৈ ঘিলমৰাত প্ৰচাৰ অভিযানত অংশ লয়।

কংগ্ৰেছৰ ৰাষ্ট্ৰীয় সভাপতি মল্লিকাৰ্জুন খাৰ্গেই কালি দলীয় প্ৰাৰ্থীৰ হৈ ৰাজ্যখনত প্ৰচাৰ চলায়। শ্ৰীখাৰ্গেই লখিমপুৰ জিলাৰ নাওবৈচা বিধানসভা সমষ্টিৰ ফটাসুতি ঘাটত আয়োজিত এখন নিৰ্বাচনী সভাত কংগ্ৰেছ নেতৃত্বাধীন মিত্ৰজোঁটৰ প্ৰাৰ্থীসকলৰ হৈ প্ৰচাৰ চলোৱাৰ লগতে কংগ্ৰেছৰ নিৰ্বাচনী ইস্তাহাৰ মুকলি কৰে।

চৰাইদেউ জিলাৰ চাহবাগিছা অঞ্চলত ভোটদাতাৰ মন জয় কৰাৰ লক্ষ্যৰে কালি ঝাৰখণ্ড মুক্তি মৰ্চাৰ মুৰব্বী হেমন্ত চোৰেণে সোণাৰি সমষ্টিৰ জয় ভাৰত দলৰ প্ৰাৰ্থী বলদেৱ তেলীৰ সমৰ্থনত প্ৰচাৰ অভিযানত ভাগ লয়।

০০০০০

ভূ-ৰাজনৈতিক পৰিস্থিতিৰ ফলস্বৰূপে বিশ্বজুৰি শক্তি যোগানত প্ৰভাৱ পেলোৱাৰ পৰিপ্ৰেক্ষিতত চৰকাৰে ২১ খন ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চললৈ ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ অধীনত উৎকৃষ্টমানৰ কেৰাচিন বিতৰণৰ ক্ষেত্ৰত অধিসূচনা জাৰি কৰিছে। এই অধিসূচনাৰ জৰিয়তে পেট্ৰ’লিয়াম আৰু প্ৰাকৃতিক গেছ মন্ত্ৰালয়ে কেৰাচিনৰ ব্যৱহাৰ বন্ধ কৰি দিয়া ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলৰ নিৰ্ধাৰিত ইন্ধন কেন্দ্ৰসমূহক ঘৰুৱা ব্যৱহাৰৰ বাবে উৎকৃষ্টমানৰ কেৰাচিন মজুত তথা বিতৰণৰ বাবে অনুমতি প্ৰদান কৰিছে। এই অধিসূচনা অনুসৰি প্ৰতিখন জিলাতে ৰাজহুৱা খণ্ডৰ তেল কোম্পানীসমূহৰ অধীনৰ ইন্ধন কেন্দ্ৰসমূহত ৫ হাজাৰ লিটাৰ পৰ্যন্ত কেৰাচিন মজুত কৰি ৰাখিব পাৰিব। অতি শীঘ্ৰে যাতে কেৰাচিনৰ বিতৰণ কৰিব পৰা যায় তাৰ বাবে নিৰ্দিষ্ট অনুজ্ঞাপত্ৰ অবিহনে ডিলাৰ আৰু পৰিবহণকাৰীসকলে এয়া কাৰ্যকৰী কৰিব পাৰিব। অৱশ্যে সুৰক্ষা আৰু নিৰাপত্তা ব্যৱস্থা বাহাল থাকিব। ৰন্ধনকাৰ্য আৰু ঘৰত পোহৰৰ ব্যৱস্থা কৰাৰ বাবে কেৱল কেৰাচিনৰ ক্ষেত্ৰতহে এই ব্যৱস্থা প্ৰযোজ্য হ’ব। এই অধিসূচনা তাৎক্ষণিকভাৱে বলৱৎ কৰা হৈছে আৰু পৰৱৰ্তী ৬০ দিন অথবা পৰৱৰ্তী অধিসূচনা জাৰি নকৰা পৰ্যন্ত বাহাল থাকিব।

০০০০০

লোকসভাত আজি দেওলীয়া আৰু ঋণ পৰিশোধ অক্ষমতা সংহিতা সংশোধনী বিধেয়ক ২০২৫ সন্দৰ্ভত আলোচনা অনুষ্ঠিত হ’ব। এই বিধেয়কখনে দেওলীয়া আৰু ঋণ পৰিশোধ অক্ষমতা সংহিতা ২০১৬ সংশোধন কৰিব। এই বিধেয়কৰ জৰিয়তে কোম্পানী আৰু ব্যক্তিৰ মাজৰ প্ৰক্ৰিয়াগত বিলম্ব আৰু ব্যাখ্যা সম্পৰ্কীয় বিষয়সমূহৰ সমাধান কৰাৰ লক্ষ্য লোৱা হৈছে। সদনত আজি বাওপন্থী উগ্ৰবাদৰ পৰা দেশক মুক্ত কৰাৰ বাবে গ্ৰহণ কৰা ব্যৱস্থা সন্দৰ্ভতো আলোচনা কৰা হ’ব।

ৰাজ্যসভাত আজি কেন্দ্ৰীয় সশস্ত্ৰ আৰক্ষী বাহিনী, সাধাৰণ প্ৰশাসন বিধেয়ক ২০২৬ সন্দৰ্ভত আলোচনা তথা গৃহীত কৰাৰ বাবে উত্থাপন কৰা হ’ব। এই বিধেয়কখনে কেন্দ্ৰীয় সশস্ত্ৰ আৰক্ষী বাহিনীত গ্ৰুপ-এ

জেনেৰেল ডিউটি বিষয়া আৰু অন্যান্য বিষয়াসকলৰ নিয়োগ আৰু সেৱাৰ চৰ্ত নিয়ন্ত্ৰিত কৰা সাধাৰণ অধিনিয়মক নিয়ন্ত্ৰণ কৰিব।

০০০০০

দেশৰ খাদ্য সুৰক্ষা আৰু জীৱন ধাৰণ সুনিশ্চিত কৰাৰ ক্ষেত্ৰত মৎস্য পালন খণ্ডই গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে বুলি কেন্দ্ৰীয় বাণিজ্য আৰু উদ্যোগমন্ত্ৰী পীয়ূষ গোৱেলে প্ৰকাশ কৰিছে। তেওঁ কয়, যে মৎস্য পালন খণ্ডৰ জৰিয়তে দেশৰ ৯০ লাখৰো অধিক মৎস্য পালকৰ পৰিয়ালে জীৱন নিৰ্বাহ কৰি আছে। কেমেৰুণত অনুষ্ঠিত বিশ্ব বাণিজ্য সংস্থাৰ চতুৰ্দশ মন্ত্ৰীপৰ্যায়ৰ বৈঠকত ভাৰতীয় প্ৰতিনিধিসকলক নেতৃত্ব দি শ্ৰীগোৱেলে মৎস্য পালনৰ ক্ষেত্ৰত ভাৰতৰ সন্তুলিত আৰু জনসাধাৰণকেন্দ্ৰিক ব্যৱস্থাৰ বিষয়ে অৱগত কৰে। বছৰি মাছ ধৰাৰ ক্ষেত্ৰত আৰোপ কৰা নিষেধাজ্ঞাকে ধৰি ভাৰতৰ সক্ৰিয় তথা পূৰ্বৰ পৰা প্ৰচলিত মৎস্য সংৰক্ষণ ব্যৱস্থাৰ ওপৰত গুৰুত্ব আৰোপ কৰি শ্ৰীগোৱেলে বহনক্ষমতাৰ দিশত দেশৰ দীৰ্ঘম্যাদী প্ৰতিশ্ৰুতিবদ্ধতাৰ ওপৰত আলোকপাত কৰে।

২৬ মাৰ্চত আৰম্ভ হোৱা বিশ্ব বাণিজ্য সংস্থাৰ চতুৰ্দশ মন্ত্ৰীপৰ্যায়ৰ সন্মিলনৰ কালি সামৰণি পৰে।

০০০০০

দেশৰ পেট্ৰ'ল পাম্পসমূহত যথেষ্ট পৰিমাণে পেট্ৰ'ল আৰু ডিজেল মজুত আছে বুলি চৰকাৰে পুনৰ প্ৰকাশ কৰাৰ লগতে উৰা বাতৰিত বিশ্বাস নকৰিবলৈ জনসাধাৰণক পৰামৰ্শ দিছে। পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে উপভোক্তাসকলক সহায় কৰাৰ উদ্দেশ্যে পেট্ৰ'ল আৰু ডিজেলৰ ওপৰত আৰোপ কৰা আৱকাৰী শুল্ক প্ৰতি লিটাৰত ১০ টকাকৈ হ্ৰাস কৰা হৈছে। মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে ঘৰুৱা ৰন্ধন গেছৰ যোগান স্বাভাৱিক হৈ আছে আৰু দৈনিক ৫৫ লাখৰো অধিক ৰন্ধন গেছৰ চিলিণ্ডাৰ যোগান ধৰা হৈছে। বাণিজ্যিক ৰন্ধন গেছৰ যোগান সংকটৰ পূৰ্বৰ অৱস্থাৰ প্ৰায় ৭০ শতাংশ হৈছে গৈ বুলিও মন্ত্ৰালয়ে প্ৰকাশ কৰিছে।

০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ যোৱা নিশা মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত মুম্বাই ইণ্ডিয়ানছে কলকাতা নাইট ৰাইডাৰ্ছক ৬ উইকেটত পৰাস্ত কৰে। মুম্বাই ইণ্ডিয়ানছে ২২১ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ১৯ অভাৰ এটা বলত ৪ উইকেটৰ বিনিময়ত নিৰ্ধাৰিত লক্ষ্যত উপনীত হয়। দলৰ হৈ ৰিয়ান ৰিকেল্টনে ৮১ আৰু ৰোহিত শৰ্মাই ৭৮ ৰান কৰে। ইয়াৰ পূৰ্বে কলকাতা নাইট ৰাইডাৰ্ছে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৪ উইকেটৰ বিনিময়ত ২২০ ৰান সংগ্ৰহ কৰে। আজিংক্য ৰাহানেই ৬৭ আৰু অংক্ৰীশ ৰঘুবংশীয়ে ৫১ ৰান কৰে। মুম্বাই ইণ্ডিয়ানছৰ হৈ তিনিটা উইকেট দখল কৰা শ্বাৰ্দুল ঠাকুৰক প্লেয়াৰ অৱ দা মেচ ঘোষণা কৰা হয়।

প্ৰতিযোগিতাত আজি গুৱাহাটীৰ বৰ্ষাপাৰা ক্ৰিকেট ষ্টেডিয়ামত ৰাজস্থান ৰয়েলছ চেন্নাই ছুপাৰ কিংছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

০০০০০

সমাপ্ত